# NSD NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 04-06-2024
**Time :** 13-40 Hrs.

# Assamese Midday Bulletin

১। দেশৰ ৫৪২ খন লোকসভা আসনৰ ভিতৰত ২৪৪ খনত বিজেপিয়ে অগ্ৰগতি লাভ কৰাৰ বিপৰীতে কংগ্ৰেছে ৯৭ খনত অগ্ৰগতি লাভ কৰিছে।

২। অসমৰ ১৪ টা সমষ্টিৰ ভিতৰত ৯ টা সমষ্টিত বিজেপিৰ প্ৰাৰ্থী আগবাঢ়ি থকাৰ বিপৰীতে ৩ টা সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থী আগবাঢ়ি আছে।

৩। ওড়িশা বিধানসভাৰ ১৪৭ খন আসনৰ ৭৩ খনত বিজেপি প্ৰাৰ্থীয়ে অগ্ৰগতি লাভ কৰিছে। *আৰু*

৪। ভাৰতৰ মহিলা ফুটবল দলটো আজি উজবেকিস্তানৰ বিৰুদ্ধে দ্বিতীয়খন বন্ধুত্বপূৰ্ণ খেলত অৱতীৰ্ণ হ'ব।

০০০০

সমগ্ৰ দেশতে আজি পুৱা ৮ বজাৰ পৰা লোকসভা নিৰ্বাচনৰ ভোটগণনা অব্যাহত আছে। শেহতীয়া তথ্য অনুসৰি দেশৰ ৫৪২ খন লোকসভা আসনৰ ভিতৰত ২৪৪ আসনত বজেপিয়ে অগ্ৰগতি লাভ কৰি থকাৰ বিপৰীতে কংগ্ৰেছে ৯৭ খন আসনত অগ্ৰগতি লাভ কৰিছে।

গুজৰাটৰ চুৰাট আসনত ইতিমধ্যে বিজেপিয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। উল্লেখযোগ্য যে চৰকাৰ গঠনৰ বাবে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিবলৈ যিকোনো এটা দলকে ২৭২ খন আসনৰ প্ৰয়োজন হ'ব।

অসমৰ ১৪টা লোকসভা সমষ্টিত কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজত আজি পুৱাৰে পৰা লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ প্ৰক্ৰিয়া পূৰ্ণগতিত অব্যাহত আছে। ভোটগণনাৰ বাবে ৰাজ্যত স্থাপন কৰা ৫২টা কেন্দ্ৰত ৬৪ গৰাকী সাধাৰণ পৰ্যবেক্ষকে ভোটগণনাৰ প্ৰক্ৰিয়া পৰ্যবেক্ষণ কৰি আছে।

শেহতীয়া তথ্য অনুসৰি **দৰং-ওদালগুৰি** সমষ্টিত বিজেপিৰ প্ৰাৰ্থী দিলীপ শইকীয়াই নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ প্ৰাৰ্থী মাধৱ ৰাজবংশীতকৈ প্ৰায় ডেৰ লাখতকৈ অধিক ভোটত আগবাঢ়ি আছে।

**যোৰহাটত** কংগ্ৰেছ দলৰ গৌৰৱ গগৈ ৭৪ হাজাৰতকৈ অধিক ভোটত আগবাঢ়ি আছে। আনহাতে **নগাঁৱত** বিজেপি প্ৰাৰ্থী সুৰেশ বৰাতকৈ কংগ্ৰেছৰ প্ৰদ্যুৎ বৰদলৈ ৮৮ হাজাৰতকৈ অধিক ভোটত আগবাঢ়ি আছে। **কাজিৰঙা** সমষ্টিত বিজেপিৰ কামাখ্যা প্ৰসাদ তাছা, কংগ্ৰেছৰ ৰ'জলীনা তিৰ্কিতকৈ ৯১ হাজাৰতকৈ অধিক ভোটত আগবাঢ়ি আছে। **বৰপেটা** সমষ্টিত এন ডি এৰ ফণীভূষণ চৌধুৰী, কংগ্ৰেছ প্ৰাৰ্থী দ্বীপ বায়নতকৈ ৮৭ হাজাৰতকৈ অধিক ভোটত আগবাঢ়ি আছে।

ইফালে **ধুবুৰী** সমষ্টিত কংগ্ৰেছ দলৰ ৰকিবুল হুছেইন, এ আই ইউ ডি এফৰ বদৰুদ্দিন আজমলতকৈ ৩ লাখ ১৯ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে। **ডিব্ৰুগড়** সমষ্টিত বিজেপিৰ সৰ্বানন্দ সোণোৱাল বিৰোধী

মিত্রজোঁটৰ প্ৰাৰ্থী অসম জাতীয় পৰিষদৰ লুৰীণজ্যোতি গগৈতকৈ প্ৰায় ডেৰ লাখ ভোটত আগবাঢ়ি আছে। **ডিফু** সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী জে আই কাঠাৰতকৈ বিজেপিৰ অমৰ সিং টিছ'ই শেহতীয়া গণনা অনুসৰি ৩০ হাজাৰতকৈ অধিক ভোটত আগবাঢ়ি আছে। **কোকৰাঝাৰ** সমষ্টিত বি পি এফৰ খাম্ফা বৰগয়াৰীতকৈ ইউ পি পি এলৰ জয়ন্ত বসুমতাৰী ২৩ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে। **লখিমপুৰত** বিজেপিৰ প্ৰদান বৰুৱাই নিকটতম প্ৰতিদ্বন্দ্বী উদয়শংকৰ হাজৰিকাতকৈ ১ লাখ ৯ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে। একেদৰে **শোণিতপুৰ**তো বিজেপিৰ ৰঞ্জিত দত্ত নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ প্ৰেমলাল গঞ্জুতকৈ এক লাখ ৬৭ হাজাৰতকৈ অধিক ভোটত আগবাঢ়ি আছে। **গুৱাহাটী** লোকসভা সমষ্টিতো এন ডি এ প্ৰাৰ্থী বিজুলী কলিতা মেধীয়ে কংগ্ৰেছৰ মীৰা বৰঠাকুৰ গোস্বামীতকৈ ১ লাখ ৫ হাজাৰৰো অধিক ভোটত অগ্ৰগতি লাভ কৰি আছে। **শিলচৰত** এন ডি এ প্ৰাৰ্থী পৰিমল শুক্লবৈদ্যই নিকটতম প্ৰতিদ্বন্দ্বী সূৰ্যকান্ত চৰকাৰতকৈ১ লাখ ৩১ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে। ইফালে **কৰিমগঞ্জ** সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী হাফিজ ৰচিদ আহেমদ চৌধুৰী বিজেপিৰ কৃপানাথ মাল্লাতকৈ ২ হাজাৰৰ অধিক ভোটত আগবাঢ়ি আছে।

**মণিপুৰতো ইনাৰ আৰু আউটাৰ** লোকসভা সমষ্টি দুটাৰ ভোটগণনাৰ বাবে ২৪টা কেন্দ্ৰত ভোটগণনা চলি আছে। ইনাৰ সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থী আংগমচা বিমল আকৈজাম নিকটতম প্ৰতিদ্বন্দ্বী থাউনাওজাম বসন্ত কুমাৰ সিঙতকৈ ৬৯ হাজাৰ ৪শ ৰো অধিক ভোটত আগবাঢ়ি আছে। আউটাৰ মণিপুৰ সমষ্টিত নাগা পিপ'ল্ছ ফ্ৰণ্টৰ কছুই তিমথি জিমিকতকৈ কংগ্ৰেছৰ আলফ্ৰেড আৰ্থাৰ ৪৬ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে।

নাগালেণ্ডৰ একমাত্ৰ আসনখনত কংগ্ৰেছৰ প্ৰাৰ্থী এছ সুপংমাৰেন জমিৰ তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী এন ডি পি পিৰ ড০ সুম্বেন মুৰীতকৈ ৪৮ হাজাৰতকৈ অধিক ভোটত আগবাঢ়ি আছে।

অৰুণাচল প্ৰদেশৰ দুয়োখন আসনতে বিজেপিৰ প্ৰাৰ্থী আগবাঢ়ি আছে। **অৰুণাচল পশ্চিম সমষ্টিত** বিজেপি প্ৰাৰ্থী কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ নাৱাম টুকীতকৈ প্ৰায় ৯০ হাজাৰ ভোটৰ ব্যৱধানত আগবাঢ়ি আছে।

ভোটগণনাৰ শেহতীয়া তথ্য অনুসৰি **বাৰাণসী** সমষ্টিত বিজেপিৰ জ্যেষ্ঠ নেতা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছ প্ৰাৰ্থী অজয় ৰায়তকৈ ৯৩ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে। আনহাতে, বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহ **গুজৰাটৰ গান্ধীনগৰ** সমষ্টিত নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ সৌনল পেটেলতকৈ ৫ লাখৰো অধিক ভোটত আগবাঢ়ি আছে। **পোৰবন্দৰ** সমষ্টিত বিজেপিৰ আন এজন নেতা ডং মনসুখ মন্দাভিয়া কংগ্ৰেছৰ ললিত ৱছ'য়াতকৈ চাৰে তিনি লাখৰো অধিক ভোটত আগবাঢ়ি আছে। **উত্তৰ প্ৰদেশৰ ৰায়বৰেলি** সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী ৰাহুল গান্ধী নিকটতম প্ৰতিদ্বন্দ্বী বিজেপিৰ দীনেশ প্ৰতাপ সিঙতকৈ প্ৰায় ২ লাখ ভোটত আগবাঢ়ি আছে। আনহাতে, **কেৰালাৰ ৱায়ানাড** সমষ্টিত কংগ্ৰেছৰ ৰাহুল গান্ধী চি পি আইৰ এনি ৰাজাতকৈ আঢ়ৈ লাখতকৈ অধিক ভোটত আগবাঢ়ি আছে। **ৰাজস্থানৰ আলৱৰ** সমষ্টিত বিজেপিৰ ভূপেন্দৰ য়াদৱ, কংগ্ৰেছৰ ললিত য়াদৱতকৈ ৫৫ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে। **মহাৰাষ্ট্ৰৰ বাৰামতী** সমষ্টিত এন চি পি শাৰদ পাৱাৰ গোটৰ প্ৰাৰ্থী সুপ্ৰিয়া চুলে এন চি পিৰ প্ৰাৰ্থী সুনেত্ৰা অজিতদাদা পাৱাৰতকৈ ১৬ হাজৰতকৈ অধিক ভোটত আগবাঢ়ি আছে। **বিহাৰৰ বেগুচৰাই সমষ্টিত** চিপিআইৰ অৱদেশ কুমাৰ ৰয়তকৈ বিজেপিৰ গিৰিৰাজ সিঙ ২৪ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে। **মধ্য প্ৰদেশৰ গুণা** সমষ্টিত বিজেপিৰ জ্যোতিৰাদিত্য এম সিন্ধিয়াই কংগ্ৰেছ দলৰ

য়াদৱেন্দ্ৰ ৰাও দেশৰাজ সিঙতকৈ ৪ লাখতকৈ অধিক ভোটৰ ব্যৱধানত আগবাঢ়ি আছে। **গুৰগাঁও** সমষ্টিত কংগ্ৰেছ দলৰ ৰাজ বাববৰ নিকটতম প্ৰতিদ্বন্দ্বী বিজেপিৰ ৰাও ইন্দৰজিৎ সিঙতকৈ প্ৰায় ২২ হাজাৰ ভোটত আগবাঢ়ি আছে। কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ সিং ঠাকুৰ **হিমাচল প্ৰদেশৰ হামিৰপুৰ** সমষ্টিত নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ ছটপাল ৰায়জাদাতকৈ ১ লাখ ৬০ হাজাৰতকৈ অধিক ভোটত আগবাঢ়ি আছে। **হিমাচল প্ৰদেশৰ মান্দি** সমষ্টিত বিজেপিৰ কংগনা ৰাণাৱট-কংগ্ৰেছৰ বিক্ৰমাদিত্য সিঙতকৈ ৭০ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে। ৰাষ্ট্ৰীয় সুৰক্ষা আইনৰ অধীনত ডিব্ৰুগড় কাৰাগাৰত বন্দী হৈ থকা নিৰ্দলীয় প্ৰাৰ্থী অমৃতপাল সিং **পাঞ্জাবৰ খদুৰচাহিব** সমষ্টিত ১ লাখ ২০ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে।

**লক্ষ্ণৌ** সমষ্টিত কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং নিকটতম প্ৰতিদ্বন্দ্বী সমাজবাদী পাৰ্টীৰ ৰৱিদাস মেহৰুট্ৰাতকৈ প্ৰায় ২৬ হাজাৰ ভোটত আগবাঢ়ি আছে। **উত্তৰ প্ৰদেশৰ আমেথিত** বিজেপিৰ জ্যেষ্ঠ নেতা স্মৃতি ইৰাণী নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ কিশোৰী লালতকৈ প্ৰায় ৬৪ হাজাৰৰো অধিক ভোটত পিছপৰি আছে। **ৰাজ্যখনৰ মেইনপুৰীত** সমাজবাদী পাৰ্টীৰ ডিম্পল য়াদৱ বিজেপিৰ জয়বীৰ সিঙতকৈ ১ লাখ ২৫ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে।

আনহাতে, **উত্তৰ প্ৰদেশৰ মথুৰা** সমষ্টিত বিজেপি প্ৰাৰ্থী হেমা মালিনী কংগ্ৰেছৰ মুকেশ ধাংগাৰতকৈ ১ লাখ ৯৫ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে।

**মধ্য প্ৰদেশৰ বিদিশা** সমষ্টিত বিজেপিৰ শিৱৰাজ সিং চৌহান নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছ দলৰ প্ৰতাপ ভানু শৰ্মাতকৈ ৩ লাখ ৮০ হাজাৰতকৈ অধিক ভোটৰ ব্যৱধানত আগবাঢ়ি আছে। ইপিনে, ৰাষ্ট্ৰীয় ৰাজধানী **দিল্লীৰ** সাতোখন আসনতে বিজেপিৰ প্ৰাৰ্থী আগবাঢ়ি আছে।

০০০০

লোকসভাৰ লগতে অন্ধ্ৰপ্ৰদেশ আৰু ওড়িশা বিধানসভা নিৰ্বাচনৰ ভোটগণনা চলি আছে। ইয়াৰ উপৰি বিভিন্ন বিধান সমষ্টিৰ উপ-নিৰ্বাচনৰো ভোটগণনা অনুষ্ঠিত হৈছে। ১৪৭ জনীয়া ওড়িশা বিধানসভা নিৰ্বাচনৰ শেহতীয়া তথ্য অনুসৰি বিজেপি ৭৩ খন আসনত আগবাঢ়ি আছে। ৰাজ্যখনৰ শাসনাধিস্থিত বিজু জনতা দল ৫৭ খন আসনত আৰু কংগ্ৰেছে ১৪ খন আসনত অগ্ৰগতি লাভ কৰিছে। ইপিনে, ১৭৫ জনীয়া অন্ধ্ৰপ্ৰদেশ বিধানসভা নিৰ্বাচনৰ ফলাফলৰ শেহতীয়া ধাৰা অনুসৰি তেলেগু দেশমে এখন আসন লাভ কৰিছে আৰু ১৩১ খন আসনত আগবাঢ়ি আছে। জনসেৱা পাৰ্টীয়ে ২০ খনত আৰু বিজেপিয়ে ৭ খন আসনত অগ্ৰগতি লাভ কৰিছে। আনহাতে, উপ নিৰ্বাচন অনুষ্ঠিত বিভিন্ন ৰাজ্যৰ ২৫ খন আসনৰ ভিতৰত বিজেপি ১৩ খনত আৰু কংগ্ৰেছ ৭ খনত আগবাঢ়ি আছে।

০০০০

অসমৰ ১০ খন জিলাৰ ৬ লাখৰো অধিক লোক বানৰ কবলত পৰিছে। ৰাজ্য চৰকাৰে বানৰ কবলত পৰা জিলাসমূহত ইতিমধ্যে ১৯১টা সাহায্য শিবিৰ আৰু ১০৮টা সাহায্য বিতৰণ কেন্দ্ৰ মুকলি কৰিছে। বিগত ২৪ ঘণ্টাত কাছাৰ জিলাত বানত ৪ জন লোকে প্ৰাণ হেৰুৱাইছে। ইয়াকে লৈ এইবাৰৰ বানত ৰাজ্যখনত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ১৮ লৈ বৃদ্ধি হৈছে। ৰাজ্যখনৰ ৫৭৭ খন গাঁও প্লাৱিত হোৱাৰ লগতে ৬ হাজাৰৰো অধিক হেক্টৰ কৃষিভূমি বানৰ কবলত পৰিছে। চৰকাৰী সূত্ৰ অনুসৰি বানত বিগত ২৪ ঘণ্টাত কাছাৰ জিলাত ৪ গৰাকী লোক সন্ধানহীন হৈছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি কেইবাখনো জিলাৰ পথ, মথাউৰি আৰু আন্তঃগাঁথনি ক্ষতিগ্ৰস্ত হৈছে।

ইপিনে উত্তৰ-পূৰ্ব সীমান্ত ৰে'লৱেই নিউ হাফলং-চন্দ্ৰনাথপুৰৰ  ৰে'লপথৰ ক্ষতিৰ প্ৰতি লক্ষ্য ৰাখি ৫ জুনলৈকে কেইবাখনো ৰে'লৰ যাত্ৰা বাতিল কৰাৰ লগতে আন কেইবাখনো ৰে'লৰ যাত্ৰা আংশিকভাৱে বাতিল কৰিছে।

০০০০

ভাৰতৰ মহিলা ফুটবল দলটো আজি উজবেকিস্তানৰ বিৰুদ্ধে দ্বিতীয়খন বন্ধুত্বপূৰ্ণ খেলত অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৫ বজাত টাছখণ্ডত অনুষ্ঠিত হ'ব।

ভাৰতীয় দলটো উজবেকিস্তানৰ বিৰুদ্ধে অনুষ্ঠিত প্ৰথমখন বন্ধুত্বপূৰ্ণ খেলত ০-৩ ফলাফলত পৰাস্ত হৈছিল।

০০০০

ঃঃ সমাপ্ত ঃঃ